## লিয়নটিফৰ সাঁথৰ
## (Leontief Paradox)

হেক্সাৰ-অ'লিনৰ তত্ত্বৰ বাস্তৱ কাৰ্যকাৰিতাৰ প্ৰমাণৰ অৰ্থে গঠন কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ কিন্তু বিতৰ্কমূলক পৰীক্ষাটো কৰিছিল ডব্লিউ. ডব্লিউ. লিয়নটিফ (W. W. Leontifl)এ। ১৯৫৩ চনত প্ৰকাশিত এই পৰীক্ষাটোৰ তথ্যই হেক্সাৰ-অ'লিন তত্ত্বৰ এটা গুৰুত্বপূৰ্ণ বিসংগতিৰ নিৰ্দেশ দিছিল। হেক্সাৰ-অ'লিনৰ উৎপাদনৰ উৎপাদকৰ প্ৰাচুৰ্যতাৰ তত্ত্বই এইটো প্ৰতিষ্ঠা কৰিছিল যে এখন দেশে দেশখনত প্ৰচুৰ পৰিমাণে উপলব্ধ উৎপাদক অধিক পৰিমাণে ব্যৱহাৰ কৰি যিটো দ্ৰব্য উৎপাদন কৰিব পাৰি উক্ত দ্ৰব্যটো ৰপ্তানি কৰিব আৰু যিটো দ্ৰব্য উৎপাদনৰ অৰ্থে অধিক পৰিমাণে প্ৰয়োজন হোৱা উৎপাদকটোৰ যোগান দেশত নাটনি বা অপ্ৰচুৰ হয় উক্ত দ্ৰব্যটো আমদানি কৰিব। উদাহৰণ স্বৰূপে অতি উচ্চ মূলধন-শ্ৰম অনুপাত থকা দেশ আমেৰিকা যুক্তৰাষ্ট্ৰক মূলধনৰ ক্ষেত্ৰত চহকী দেশ আৰু শ্ৰমিকৰ যোগানৰ ক্ষেত্ৰত দৰিদ্ৰ দেশ হিচাপে বিবেচনা কৰা হয়। এই ক্ষেত্ৰত যদি হেক্সাৰ-অ'লিনৰ তত্ত্বক এক বাস্তৱসন্মত আৰু শুদ্ধ তত্ত্ব বুলি ধৰি লোৱা হয় তেতিয়া আমেৰিকা যুক্তৰাষ্ট্ৰই অধিক মূলধন ব্যৱহাৰ কৰা উৎপাদিত দ্ৰব্য ৰপ্তানি আৰু শ্ৰমিকৰ ব্যৱহাৰৰ অনুপাত অধিক হোৱা দ্ৰব্য আমদানি কৰাটো উচিত; কিন্তু অৰ্থনীতিবিদ লিয়নটিফ-এ ১৯৪৭চনৰ উক্ত দেশৰ ৰপ্তানি আৰু আমদানিৰ তথ্যৰ ওপৰত ভিত্তি কৰি এইটো প্ৰতিপন্ন কৰিছে যে উক্ত দেশখনে প্ৰকৃততে শ্ৰমিকৰ ব্যৱহাৰৰ অনুপাত অধিক হোৱা (Labour intensive) দ্ৰব্য ৰপ্তানি আৰু মূলধনৰ ব্যৱহাৰ অনুপাত অধিক হোৱা (capital intensive) দ্ৰব্য আমদানি কৰে। হেক্সাৰ -অ'লিন তত্ত্বৰ এনে বিপৰীতধৰ্মী প্ৰভাৱ পৰৱৰ্তী সময়তো প্ৰমাণিত হৈছে আৰু এনে বিপৰীত প্ৰতিক্ৰিয়া লিয়নটিফৰ সাঁথৰ (Leontif Paradox) নামেৰে পৰিচিত। তলৰ তালিকাৰ মাধ্যমত লিয়নটিফৰ সাঁথৰটো ব্যাখ্যা কৰা হৈছে।

তালিকা (ক)

| উৎপাদক (Factor) | ৰপ্তানি (Exports) | আমদানি প্ৰতিকল্পন (Imports Replacements) |
|---|---|---|
| মূলধন (Us $ in 1947 Prices) | 2,550,780 | 3,091,339 |
| শ্ৰম (man years) | 1,80,313 | 1,70,004 |
| মূলধন-শ্ৰম অনুপাত (Us $ per man hour) | 13,911 | 18,185 |

'ক' তালিকাৰ পৰা এইটো প্ৰতিপন্ন হৈছে যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰপ্তানি দ্ৰব্যৰ মূলধন-শ্ৰম অনুপাত দেশখনৰ আমদানি প্ৰতিকল্পনৰ মূলধন -শ্ৰম অনুপাতত‌কৈ কম। উল্লেখযোগ্য যে লিয়নটিফৰ সাঁথৰত আমদানি প্ৰতিকল্পনৰ মূলধন শ্ৰম অনুপাতৰ বিষয়টোহে অন্তৰ্ভুক্ত হৈছে। ইয়াত প্ৰকৃত আমদানিৰ মূলধন-শ্ৰম অনুপাতৰ বিষয়ে কোৱাহোৱা নাই। এই বিষয়ে তলত অধিক ব্যাখ্যা দাঙি ধৰা হৈছে।

লিয়নটিফৰ অধ্যয়নে এইটো প্ৰতিপন্ন কৰিছে যে আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰকৃততে শ্ৰমৰ অনুপাত অধিক (Labour intensive) হোৱা দ্ৰব্য-সামগ্ৰীকে ৰপ্তানি কৰে। অৰ্থাৎ দেশখনত মূলধনৰ প্ৰচুৰ্যতা উপলব্ধ হোৱাৰ সত্বেও মূলধনৰ অনুপাত অধিক হোৱা দ্ৰব্য-সামগ্ৰী ৰপ্তানি নকৰে। এই দেশখনে প্ৰকৃততে মূলধনৰ ব্যৱহাৰৰ মিতব্যয়িতা ৰক্ষা আৰু বাহি শ্ৰমখিনি বিদেশলৈ ৰপ্তানিৰ অৰ্থেহে বৈদেশিক বাণিজ্যত আত্মনিয়োগ কৰে। এই ব্যৱস্থা অ'লিন তত্ত্ব আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ উৎপাদনৰ প্ৰধান উৎপাদক শ্ৰম আৰু মূলধনৰ আপেক্ষিক যোগান ব্যৱস্থাৰ সম্পূৰ্ণ পৰিপন্থী।



লিয়নটিফে যিটো পদ্ধতি ব্যৱহাৰ কৰি তেখেতৰ সিদ্ধান্তটোত উপনীত হৈছিল তাৰ ভিত্তি আছিল ১৯৪৭ চনৰ বৰ্ষটোৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ উৎপাদক-উৎপাদ তালিকা (input-output table)। উক্ত তালিকাত এখন দেশৰ বিভিন্ন খণ্ডৰ মাজত দ্ৰব্য আৰু সেৱাসমূহৰ প্ৰবাহৰ দিশটো প্ৰতিফলিত হয়। উক্ত তালিকা গঠনৰ অৰ্থে প্ৰথমতে এক নিৰ্দিষ্ট পৰিমাণৰ ডলাৰ মূল্যত প্ৰতিটো উদ্যোগে উৎপাদন কৰিব পৰা উৎপাদৰ অৰ্থে কি পৰিমাণৰ মূলধন আৰু শ্ৰমৰ প্ৰয়োজন হয় তাক নিৰ্ণয় কৰা হয়। এনে প্ৰয়োজনখিনিক প্ৰত্যক্ষ প্ৰয়োজনৰ অন্তৰ্ভুক্ত কৰা হয় আৰু উক্ত পৰিমাণ উদ্যোগটোৰ সমুদায় উৎপাদনৰ অৰ্থে প্ৰয়োজন হোৱা মুঠ শ্ৰম আৰু মূলধনৰ পৰিমাণৰ সামান্য অংশ হয়। উল্লেখযোগ্য যে উদ্যোগটোৰ নিজৰ উৎপাদন বৃদ্ধিৰ অৰ্থে শ্ৰম আৰু মূলধনৰ উপৰিও আন উদ্যোগৰ কিছু উৎপাদ (Output), উৎপাদক (input) হিচাপে ব্যৱহাৰ কৰাটো প্ৰয়োজন। আন উদ্যোগৰ এনে উৎপাদ উৎপাদনৰ অৰ্থে ব্যৱহাৰ কৰা শ্ৰম আৰু মূলধনৰ উদ্যোগটোৰ পৰোক্ষ প্ৰয়োজন হিচাপে বিবেচনা কৰি উৎপাদ-উৎপাদক তালিকা গঠন কৰা হয়। এনেভাৱে এটা উদ্যোগ বা উৎপাদন খণ্ডৰ প্ৰতিটো দ্ৰব্যৰ উৎপাদনৰ অৰ্থে প্ৰয়োজন হোৱা শ্ৰম আৰু মূলধনৰ হিচাপ কৰোঁতে ইয়াৰ প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োটা প্ৰয়োজনেই হিচাপৰ অন্তৰ্ভুক্ত হয়। উদাহৰণ স্বৰূপে এটা তীখা উদ্যোগত এক নিৰ্দিষ্ট মূল্যৰ তীখা উৎপাদনৰ অৰ্থে প্ৰয়োজন হোৱা শ্ৰম আৰু মূলধনৰ পৰিমাণৰ হিচাপ কৰোঁতে উক্ত পৰিমাণৰ তীখা উৎপাদনৰ অৰ্থে উদ্যোগটোৱে যি পৰিমাণৰ শ্ৰম আৰু মূলধন নিয়োগ কৰে তাৰ লগতে উক্ত পৰিমাণে তীখাৰ উৎপাদনৰ ক্ষেত্ৰত উৎপাদক হিচাপে ব্যৱহাৰ হোৱা লো-আকৰ আৰু কয়লাৰ নিৰ্দিষ্ট পৰিমাণ উৎপাদনৰ অৰ্থে ব্যৱহাৰ হোৱা শ্ৰম আৰু মূলধনৰ পৰিমাণৰ হিচাপ অন্তৰ্ভুক্ত হয়।

লিয়নটিফে তেখেতৰ সাঁথৰটো গঠন কৰোঁতে এনে এটা অৱস্থাৰ বিষয়ে অনুমান কৰিছে যিটোও আমেৰিকা যুক্তৰাষ্ট্ৰৰ আমদানি আৰু ৰপ্তানি দুয়োটাৰ প্ৰত্যেকৰে পৰিমাণ ১ নিযুত ডলাৰ হিচাপত হ্ৰাস পাইছে। তেখেতে এই ক্ষেত্ৰত কৰা প্ৰধান অভিধাৰণাটো হৈছে উক্ত পৰিমাণৰ ৰপ্তানি হ্ৰাসত দেশখনে ৰপ্তানি কৰা প্ৰতিটো দ্ৰব্যৰ ৰপ্তানিৰ পৰিমাণ সমান অনুপাতত হ্ৰাস হয় আৰু ইয়াৰ ফলত মুঠ ৰপ্তানিৰ সিহঁতৰ শতাংশ ৰৰগুণি অপৰিৱৰ্তিত হৈ থাকে। প্ৰতিযোগিতামূলক আমদানি হ্ৰাসৰ প্ৰক্ৰিয়াও একেটা পদ্ধতিত হয়। যিবোৰ আমদানিকৃত দ্ৰব্য-সামগ্ৰী আমেৰিকা যুক্তৰাষ্ট্ৰতো উৎপাদন কৰিব পাৰি উক্ত দ্ৰব্য-সামগ্ৰীবোৰ দেশখনৰ প্ৰতিযোগিতামূলক আমদানিৰ অন্তৰ্ভুক্ত। লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ অপ্ৰতিযোগিতামূলক আমাদানিকৃত দ্ৰব্য-সামগ্ৰীৰ পৰিমাণ (যিবোৰ দেশখনত উৎপাদন কৰা সুবিধাৰ অভাৱ) অপৰিৱৰ্তিত থাকে বুলিও অভিধাৰণা কৰা হৈছে। যিহেতু দেশখনৰ প্ৰতিযোগিতামূলক আমদানিকৃত দ্ৰব্য-সামগ্ৰী আনুপাতিকভাৱে হ্ৰাস হৈছে, ইয়াৰ ক্ষতিপূৰণৰ অৰ্থে আনুপাতিকভাৱে উক্ত দ্ৰব্য-সামগ্ৰীবোৰৰ উৎপাদন দেশীয়ভাৱে বৃদ্ধি কৰাৰ প্ৰয়োজন হয়। অৰ্থাৎ আমদানিৰ

প্ৰতিকল্পন আনুপাতিক হ'ব লাগিব। লিয়নটিফৰ মতে এনে পৰিস্থিতিত যদি আমি ৰপ্তানিৰ প্ৰতিটো গোট আৰু আমদানি প্ৰতিকল্পন দ্ৰব্যৰ প্ৰতিটো গোট উৎপাদনৰ অৰ্থে প্ৰয়োজন হোৱা শ্ৰম আৰু মূলধন পৰিমাণৰ (প্ৰত্যক্ষ আৰু পৰোক্ষ) হিচাপ কৰোঁ তেতিয়া গড় হিচাপে ১নিযুত ডলাৰ মূল্যৰ ৰপ্তানিৰ লগত তাৰ সম পৰিমাণ মূল্যৰ আমদানি প্ৰতিকল্পন দ্ৰব্যৰ উৎপাদনৰ অৰ্থে প্ৰয়োজন হোৱা শ্ৰম আৰু মূলধনৰ পৰিমাণৰ তুলনা কৰিলে আমি দেখিবলৈ পাম যে আমেৰিকা যুক্তৰাষ্ট্ৰত ৰপ্তানিত ইয়াৰ আমদানি প্ৰতিকল্পন দ্ৰব্যৰ তুলনাত অধিক শ্ৰম আৰু কম মূলধন অন্তৰ্নিহিত হৈ আছে। তথ্যৰ ভিত্তিত গঠন কৰা লিয়নটিফৰ এই সিদ্ধান্তই এইটো প্ৰতিপন্ন কৰিছে যে প্ৰকৃততে আমেৰিকা যুক্তৰাষ্ট্ৰই মূলধন অনুপাতৰ (Capital intensive) তুলনাত শ্ৰম-অনুপাত (Labour intensive) অধিক হোৱা উৎপদন পদ্ধতিতহে আত্মনিয়োগ কৰিছে। মূলধনৰ প্ৰাচুৰ্যতা দেশ এখনত উৎপাদন পদ্ধতিৰ এনে বিপৰীতমুখী অৱস্থিতি হেক্সাৰ-অ'লিনৰ মূল দৰ্শনৰ পৰিপন্থী আৰু ইয়াৰ কোনো ব্যাখ্যা তত্ত্বটোত অন্তৰ্ভুক্ত হোৱা নাই। এনে কাৰণতে লিয়নটিফৰ ব্যাখ্যাক লিয়নিটফ সাঁথৰ হিচাপে বিবেচনা কৰা হয়।

লিয়নটিফৰ অধ্যয়নে আন কেইখনমান দেশৰ অৰ্থনীতিবিদকো অনুৰূপ অধ্যয়ন চলাবলৈ অনুপ্ৰাণিত কৰিছিল আৰু তেখেতসকলৰ অধ্যয়নেও লিয়নটিফৰ সাঁথৰৰ যথাৰ্থতা প্ৰতিপন্ন কৰিছিল। উদাহৰণ স্বৰূপে দুগৰাকী জাপানী অৰ্থনীতিবিদে তেখেতসকলে সংগ্ৰহ কৰা জাপানৰ ৰপ্তানি আৰু আমদানিৰ তথ্যৰ পৰা এইটো প্ৰমাণ কৰিছিল যে মূলধনৰ প্ৰাচুৰ্যতা থকা জাপানে প্ৰকৃততে শ্ৰমৰ অনুপাত অধিক হোৱা দ্ৰব্য-সামগ্ৰী ৰপ্তানি আৰু মূলধনৰ অনুপাত অধিক হোৱা প্ৰতিযোগিতামূলক দ্ৰব্য আমদানি কৰে। কানাডা আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজৰ বাণিজ্যৰ তথ্য অধ্যয়নৰ পৰাও হেক্সাৰ-অ'লিন তত্ত্বৰ এনে বিপৰীত প্ৰক্ৰিয়া প্ৰমাণিত হৈছিল। ইয়াৰোপৰি ভাৰতবৰ্ষ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বাণিজ্যৰ তথ্যৰ ভিত্তিতো এইটো প্ৰতিপন্ন হৈছিল যে ভাৰতবৰ্ষই আমেৰিকা যুক্তৰাষ্ট্ৰলৈ মূলধন অনুপাত অধিক হোৱা দ্ৰব্য ৰপ্তানি আৰু শ্ৰম-অনুপাত অধিক হোৱা দ্ৰব্য দেশখনৰ পৰা আমদানি কৰে। ভাৰতবৰ্ষৰ দৰে ৰাহি শ্ৰমিক থকা দেশৰ কাৰণে ই নিশ্চিতভাৱে এটা সাঁথৰ। মূলধনৰ যোগান নাটনি হোৱা পূৰ্বৰ পূব জাৰ্মান দেশতো হেক্সাৰ-অ'লিন তত্ত্বৰ এনে সীমাবদ্ধতা তথ্যৰ দ্বাৰা প্ৰমাণিত হৈছিল।

অৱশ্যে এইটো উল্লেখযোগ্য যে লিয়নটিফে তেখেতৰ তথ্যভিত্তিক প্ৰমাণৰ দ্বাৰা হেক্সাৰ-অ'লিন তত্ত্বক অকামিলা তত্ত্ব হিচাপে প্ৰতিষ্ঠা কৰিবও বিচৰা নাই অথবা আমেৰিকা যুক্তৰাষ্ট্ৰৰ যে আন দেশৰ তুলনাত প্ৰতি শ্ৰমিকত অধিক উৎপাদনশীল মূলধন নিয়োজিত আছে সেইটোও প্ৰমাণ কৰিব বিচৰা নাই। হেক্সাৰ-অ'লিনৰ তত্ত্বৰ কাৰ্যকাৰিতাৰ লগতে তেখেতৰ অনুসন্ধানৰ সত্যতা প্ৰতিষ্ঠাৰ অৰ্থে তেখেতে নিজৰ ব্যাখ্যা দাঙি ধৰিছে। উক্ত ব্যাখ্যা অনুসৰি যিকোনো পৰিমাণৰ মূলধনৰ প্ৰয়োগৰ অৱস্থাত আমেৰিকা যুক্তৰাষ্ট্ৰৰ শ্ৰমিক আন দেশবোৰৰ তুলনাত অধিক উৎপাদনশীল। এনে পৰিস্থিতিত আমেৰিকা যুক্তৰাষ্ট আৰু আন দেশবোৰৰ উৎপাদনৰ উৎপাদকৰ প্ৰাচুৰ্যতাৰ আপেক্ষিক তুলনাৰ অৰ্থে শ্ৰমিকৰ যোগানৰ বিষয়টো 'দক্ষতাৰ গোট' (efficiency unit)ৰ মাধ্যমত ব্যক্ত কৰিব লাগিব। আনকথাত ক'বলৈ গ'লে আমেৰিকা যুক্তৰাষ্ট্ৰৰ শ্ৰমিকৰ দক্ষতা আন দেশবোৰতকৈ অধিক হোৱাৰ কাৰণে উক্ত দেশৰ শ্ৰমিকৰ যোগান প্ৰকৃত শ্ৰমিকৰ যোগানৰ গুণাত্মক বুলি ধৰি ল'লেহে এই দেশৰ শ্ৰমিকৰ আন দেশৰ সমান হ'ব। উদাহৰণ স্বৰূপে যদি এজন ভাৰতীয় শ্ৰমিকে এক নিৰ্দিষ্ট মূলধন প্ৰয়োগৰ অধীনত



প্ৰতি ঘণ্টাত এটা দ্ৰব্যৰ ১টা গোট আৰু একে পৰিস্থিতিত এজন আমেৰিকান শ্ৰমিকে উক্ত দ্ৰব্যটো প্ৰতি ঘণ্টাত ৩টা গোট উৎপাদন কৰে তেতিয়া ১জন আমেৰিকান শ্ৰমিক ৩জন ভাৰতীয় শ্ৰমিকৰ সমকক্ষ হ'ব। এইটো দৃষ্টিকোণৰ পৰা বিচাৰ কৰি চালে আমি দেখা পাম যে আমেৰিকা যুক্তৰাষ্ট্ৰই প্ৰতিজন শ্ৰমিকত ভাৰতবৰ্ষৰ তুলনাত অধিক মূলধন প্ৰয়োগ কৰে বুলি কোৱাৰ লগতে আমি ক'ব পাৰোঁ যে উক্ত দেশখন মূলধনৰ তুলনাত আপেক্ষিকভাৱে শ্ৰমিকৰ যোগানত অধিক ধনী। এইটো সিদ্ধান্ত গ্ৰহণ কৰিলে হেক্সাৰ-অ'লিন তত্ত্বৰ কাৰ্যকাৰিতা প্ৰমাণিত হোৱাৰ লগতে লিয়নটিফৰ অনুসন্ধানৰ সত্যতাও প্ৰতিষ্ঠা হ'ব।

**সমালোচনা (Criticisms)** লিয়নটিফৰ সাঁথৰক সকলো অৰ্থনীতিবিদে গ্ৰহণ কৰা নাই। উদাহৰণ স্বৰূপে অৰ্থনীতিবিদ ক্ৰিনিন (Kreinin)এ ১৯৬৫ চনত আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু আন দেশবোৰত চলোৱা অধ্যয়নৰ পৰা এইটো প্ৰমাণ কৰিছিল যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ শ্ৰমিক আনদেশবোৰৰ শ্ৰমিকতকৈ অধিক হয়; কিন্তু লিনয়টিফে কোৱাৰ দৰে ৩০০ শতাংশ নহয়। তেওঁলোকৰ দক্ষতা আন দেশৰ শ্ৰমিতকৈ ২০ৰ পৰা ২৫ শতাংশৰ অধিক নহয়। এনে পৰিস্থিতিত এইটো কোৱাটো শুদ্ধ নহয় যে আমেৰিকা যুক্তৰাষ্ট্ৰত শ্ৰমিকৰ যোগান প্ৰচুৰ।

অৰ্থনীতিবিদ জে. ভেনেক (J. Vanek)ৰ মতে উৎপাদনক্ষেত্ৰত মূলধন আৰু প্ৰাকৃতিক সম্পদ এটা আনটোক পৰিপূৰক। আমেৰিকা যুক্তৰাষ্ট্ৰ কিছুমান প্ৰাকৃতিক সম্পদ যোগানৰ ক্ষেত্ৰত যথেষ্ট দুখীয়া। প্ৰাকৃতিক সম্পদৰ সংৰক্ষণৰ ওপৰত গুৰুত্ব দিয়াৰ কাৰণেহে এই দেশখনৰ আমদানিকৃত দ্ৰব্য-সামগ্ৰীত অন্তৰ্নিহিত হৈ থকা মূলধনৰ অনুপাত অধিক হোৱাৰ পৰিবৰ্তে প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰৰ অনুপাতহে অধিক হোৱা পৰিলক্ষিত হয়। অৰ্থাৎ দেশখনত যিবোৰ প্ৰাকৃতিক সম্পদৰ নাটনি হয় উক্ত প্ৰাকৃতিক সম্পদবোৰ ব্যৱহাৰৰ দ্বাৰা উৎপাদন দ্ৰব্যবোৰ বিদেশৰ পৰা আমদানি কৰাত অগ্ৰাধিকাৰ দিয়া হয়।

একাংশ অৰ্থনীতিবিদে মানৱ মূলধনৰ প্ৰত্যয়টো অৱতাৰণা কৰি হেক্সাৰ-অ'লিনৰ তত্ত্বটোৰ কাৰ্যকাৰিতা প্ৰতিষ্ঠা কৰিছে। তেখেতসকলৰ মতে দক্ষতাসম্পন্ন মানৱশক্তি গঠনৰ অৰ্থে মানৱ মূলধন গঠনত যথেষ্ট বিনিয়োগৰ প্ৰয়োজন হয়। গতিকে আমেৰিকা যুক্তৰাষ্টই শ্ৰমিকৰ ব্যৱহাৰৰ অনুপাত অধিক হোৱা দ্ৰব্য উৎপাদন আৰু ৰপ্তানি কৰা বুলি ক'লে আমি বুজাটো উচিত যে দেশখনে প্ৰকৃততে মূলধনৰ অনুপাত অধিক হোৱা দ্ৰব্য-সামগ্ৰীহে ৰপ্তানি কৰিছে।

নিজৰ সাঁথৰটোৰ ব্যাখ্যা প্ৰদান কৰিবৰ অৰ্থে লিয়নিটফে যিটো পদ্ধতি ব্যৱহাৰ কৰিছে উক্ত পদ্ধতি শুদ্ধ বুলি ক'ব নোৱাৰি। তেখেতে ৰপ্তানি উদ্যোগ আৰু প্ৰতিযোগিতামূলক আমদানি প্ৰতিকল্পৰ উৎপাদক-উৎপাদৰ যি আৰ্হি গঠন কৰিছে উক্ত আৰ্হিত অপ্ৰতিদ্বন্দ্বীমূলক বা প্ৰকৃত আমদানিৰ উৎপাদক-উৎপাদৰ তালিকা অন্তৰ্ভুক্ত হোৱা নাই। যদি আমি প্ৰতিযোগিতামূলক আমদানিৰ পৰিবৰ্তে উৎপাদক-উৎপাদৰ আৰ্হিত প্ৰকৃত ৰপ্তানি আৰু প্ৰকৃত আমদানিক অন্তৰ্ভুক্ত কৰোঁ তেতিয়া হেক্সাৰ- অ'লিন তত্ত্বৰ সত্যতা সহজেই প্ৰমাণিত হ'ব।

পৃথিৱীৰ আন দেশবোৰৰ ক্ষেত্ৰত লিয়নটিফ সাঁথৰ প্ৰযোজ্যৰ কাৰণো অৰ্থনীতিবিদসকলে দিছে। উদাহৰণস্বৰূপে জাপান মূলধনৰ ক্ষেত্ৰতো যথেষ্ট চহকী নহয় আৰু শ্ৰমিকৰ যোগানৰ ক্ষেত্ৰতো যথেষ্ট চহকী নহয়; কিন্তু তৃতীয় বিশ্বৰ দেশবোৰতকৈ এই দেশখন মূলধন যোগানৰ ক্ষেত্ৰত অধিক চহকী হোৱাৰ কাৰণে এই দেশবোৰলৈ জাপানে কৰা ৰপ্তানিত মূলধনৰ অনুপাত অধিক হ'ব। অন্যহাতেদি আমেৰিকা যুক্তৰাষ্ট্ৰৰ তুলনাত মূলদন যোগানৰ ক্ষেত্ৰত জাপান দৰিদ্ৰ হোৱাৰ কাৰণে উক্ত দেশখনলৈ জাপানৰ ৰপ্তানিত শ্ৰমিকৰ অনুপাত অধিক হয়। অন্যহাতেদি

ভাৰতবৰ্ষৰ দৰে কম উন্নত দেশবোৰত মূলধনৰ যোগান কম আৰু শ্ৰমিকৰ যোগান অধিক হোৱা সত্ত্বেও এই দেশবোৰে মূলধন অনুপাত অধিক হোৱা দ্ৰব্য ৰপ্তানি কৰিব পাৰে। ইয়াৰ প্ৰধান কাৰণ হৈছে মূলধনৰ নাটনি হোৱা এই দেশবোৰে বিদেশী প্ৰযুক্তি কৌশল আৰু বৈদেশিক মূলধন নিজৰ ৰপ্তানি উদ্যোগবোৰত প্ৰয়োগ কৰাৰ কাৰণে ৰপ্তানিৰ উৎপাদন প্ৰক্ৰিয়াত মূলধনৰ প্ৰয়োগৰ অনুপাত অধিক হয়।

### উৎপাদনৰ উৎপাদকৰ বিপৰীতমুখী প্ৰাবল্যতাৰ পৰীক্ষা (Factor Intensity Reversal Test)

হেক্সাৰ-অ'লিন তত্ত্ব যিকেইটা অভিধাৰণাৰ ভিত্তিত গঠন কৰা হৈছে সেইবোৰৰ ভিতৰত এটা উল্লেখযোগ্য অভিধাৰণা হৈছে বিভিন্ন দ্ৰব্যৰ উৎপাদন সম্পৰ্ক (Production function) পৃথক হ'ব পাৰে; কিন্তু দুখন দেশৰ ক্ষেত্ৰত যি দুটা দ্ৰব্যৰ বাণিজ্য হয় উক্ত দ্ৰব্য দুটাৰ প্ৰত্যেকৰে উৎপাদন সম্পৰ্ক দেশ দুখনত একে হ'ব লাগিব। অৰ্থাৎ দ্ৰব্য দুটাৰ এটা মূলধন প্ৰাবল্যতাৰ (Capital intensive) হয় (উচ্চ মূলধন-শ্ৰম অনুপাত) আৰু আনটো শ্ৰম প্ৰাবল্যৰ (Labour intensive) হয় (নিম্ন মূলধন-শ্ৰম অনুপাত); কিন্তু এই ক্ষেত্ৰত যিটো দ্ৰব্য এখন দেশত মূলধন প্ৰাবল্যৰ হয় উক্ত দ্ৰব্যটো আনখন দেশতো মূলধন প্ৰাবল্যৰ হ'ব লাগিব। তেনেদৰে যিটো দ্ৰব্য এখন দেশত শ্ৰম প্ৰাবল্যৰ হয় সেই দ্ৰবটো আনখন দেশতো শ্ৰম প্ৰাবল্যৰ হ'ব লাগিব। এইটো চৰ্তৰ উপস্থিতিত শ্ৰমিকৰ তুলনাত মূলধনৰ যোগান পৰ্যাপ্ত হোৱা দেশখনে মূলধন প্ৰাবল্যতাৰ দ্ৰব্যৰ উৎপাদন আৰু ৰপ্তানিত আৰু মূলধনৰ তুলনাত শ্ৰমিকৰ যোগান পৰ্যাপ্ত হোৱা দেশখনে শ্ৰম-প্ৰাবল্যৰ দ্ৰব্যৰ উৎপাদন আৰু ৰপ্তানিত আত্মনিবেশ কৰিব। অৰ্থাৎ এই ক্ষেত্ৰত উৎপাদনৰ উৎপাদকৰ যোগানৰ আপেক্ষিক প্ৰাচুৰ্যতাৰ ভিত্তিত বাণিজ্য আৰম্ভ হ'ব আৰু ই হেক্সাৰ-অ'লিন তত্ত্বৰ সত্যতা প্ৰতিষ্ঠা কৰিব। কিন্তু যদি হেক্সাৰ-অ'লিন তত্ত্বৰ এই অভিধাৰণা আবাস্তৱ বুলি ধৰা হয় অথবা উৎপাদকৰ বিপৰীতমুখী প্ৰাবল্যতা পৰিলক্ষিত হয়, তেতিয়া এই তত্ত্বৰ কাৰ্যকাৰিতা দেখা পোৱা নেযাব। এই বিপৰীতমুখী প্ৰাবল্যতা আৰু ইয়াৰ প্ৰভাৱৰ বিষয়ে এটা উদাহৰণসহ ব্যাখ্যা দাঙি ধৰা হৈছে। বিষয়টোৰ ব্যাখ্যাৰ অৰ্থে দুখন দেশ A আৰু B আৰু দুটা দ্ৰব্য লো-তীখা আৰু কাপোৰৰ উদাহৰণ গ্ৰহণ কৰা হৈছে। A দেশখন মূলধনৰ ক্ষেত্ৰত ধনীআৰু B দেশখনত বাহি শ্ৰমিকৰ উপস্থিতি পৰিলক্ষিত হয়।

দেশ দুখনত দুয়োটা দ্ৰব্যৰে উৎপাদনৰ সুবিধা আছে। অৱশ্যে A দেশখনত তীখা উৎপাদন ব্যৱস্থা শ্ৰম প্ৰাধান্য কৌশলৰ আৰু কাপোৰ উৎপাদন মূলধন প্ৰাধান্য কৌশলৰ অন্তৰ্ভুক্ত। এই দেশখনত তীখা অথবা কাপোৰৰ ১টা গোট উৎপাদনৰ অৰ্থে মূলধন সম পৰিমাণে নিয়োজিত হয়, কিন্তু তীখা উৎপাদনৰ ক্ষেত্ৰত কাপোৰৰ উৎপাদনতকৈ অধিক শ্ৰমৰ প্ৰয়োজন হয়। অৰ্থাৎ কাপোৰৰ মূলধন-শ্ৰম অনুপাত অধিক আৰু তীখাৰ মূলধন-শ্ৰম অনুপাত কম। এনে পৰিস্থিতিত মূলধনৰ প্ৰাচুৰ্যতা থকা A দেশে মূলধন প্ৰাধান্য দ্ৰব্য কাপোৰৰ উৎপাদন আৰু ৰপ্তানিত আত্মনিয়োগ কৰিব। এই দেশখনে শ্ৰমৰ প্ৰাধান্য থকা প্ৰযুক্তি কৌশলৰ অধীনত উৎপাদিত দ্ৰব্য তীখা আন দেশৰ পৰা আমদানি কৰিব।

অন্যহাতেদি B দেশখনত কাপোৰৰ উৎপাদন শ্ৰম প্ৰাধান্য কৌশলৰ আৰু তীখা উৎপাদন মূলধন প্ৰাধান্য কৌশলৰ অধীনস্থ। কাৰণ এই দেশখনত কাপোৰৰ ১ টা গোট উৎপাদনৰ অৰ্থে এক নিৰ্দিষ্ট পৰিমাণৰ শ্ৰমৰ লগত যি পৰিমাণৰ মূলধনৰ প্ৰয়োজন হয় তাতকৈ তীখাৰ



১ টা গোট উৎপাদন কৰোতে সম পৰিমাণত শ্ৰমত অধিক মূলধন প্ৰয়োগৰ প্ৰয়োজন হয়। অৰ্থাৎ কাপোৰ আৰু তীখাৰ প্ৰত্যেকৰে ১টা গোট উৎপাদন কৰোতে সম পৰিমাণৰ শ্ৰমৰ প্ৰয়োজন হ'লেও কাপোৰৰ তুলনাত তীখাৰ প্ৰতিটো গোট উৎপাদনত অধিক মূলধন প্ৰয়োগৰ প্ৰয়োজন হয়। অৰ্থাৎ B দেশত কাপোৰৰ তুলনাত তীখা উৎপাদনত মূলধন-শ্ৰম অনুপাত অধিক। এনে পৰিস্থিতিত শ্ৰমৰ যোগান পৰ্যাপ্ত হোৱা B দেশে শ্ৰম প্ৰাধান্য কৌশলৰ অধীনস্থ দ্ৰব্য কাপোৰৰ উৎপাদন আৰু ৰপ্তানিত আত্মনিয়োগ কৰিব আৰু মূলধনৰ প্ৰাধান্য থকা কৌশলৰ অধীনস্থ দ্ৰব্য তীখা আমদানি কৰিব।

ওপৰত ব্যাখ্যা কৰা উৎপাদক বিপৰীতধৰ্মী প্ৰবলতাৰ উদাহৰণৰ পৰা এইটো স্পষ্ট হৈছে যে দুয়োখন দেশে একেটা দ্ৰব্য অৰ্থাৎ কাপোৰ ৰপ্তানিত আত্মনিয়োগ কৰিছে। কাৰণ মূলধনৰ যোগানৰ প্ৰাচুৰ্যতা থকা 'A'ৰ কাপোৰৰ উৎপাদন ব্যৱস্থা মূলধন প্ৰাধান্য কৌশলৰ অধীন আৰু শ্ৰমিকৰ যোগানৰ প্ৰাচুৰ্যতা থকা দেশ 'B'-ৰ কাপোৰৰ উৎপাদন শ্ৰম প্ৰাধান্য কৌশলৰ অধীনস্থ। অৰ্থাৎ একেটা দ্ৰব্য (কাপোৰ) এখন দেশত মূলধন প্ৰাধান্য উৎপাদন কৌশলৰ আৰু আনখন দেশত শ্ৰম প্ৰাধান্য উৎপাদন কৌশলৰ অধীনস্থ। তীখাৰ উৎপাদনৰ ক্ষেত্ৰতো একেটা বৈশিষ্ট্য পৰিলক্ষিত হয়। অৰ্থাৎ মূলধন যোগানত ধনী দেশ A দেশত তীখাৰ উৎপাদন মূলধন প্ৰাধান্য উৎপাদন কৌশলৰ আৰু শ্ৰমৰ যোগান অপৰ্যাপ্ত হোৱা দেশ B ও ইয়াৰ উৎপাদন শ্ৰম প্ৰাধান্য কৌশলৰ অন্তৰ্ভুক্ত। এই পৰিস্থিতিটোকে উৎপাদনৰ উৎপাদকৰ বিপৰীতমুখী প্ৰবলতা আখ্যা দিয়া হয়। কাৰণ হেক্সাৰ-অ'লিন তত্ত্বত এটা দ্ৰব্য দুয়োখন দেশতে অনুৰূপ উৎপাদন কৌশলৰ অন্তৰ্ভুক্ত বুলি যি অভিধাৰণা কৰা হৈছিল তাৰ পৰা এই অৱস্থাটো সম্পূৰ্ণ বিপৰীত। এনে পৰিস্থিতিত দুয়োখন দেশে একেটা দ্ৰব্য অৰ্থাৎ কাপোৰ ৰপ্তানিত আৰু আনটো দ্ৰব্য অৰ্থাৎ তীখা আমদানিত আত্মনিয়োগ কৰিব। এনে পৰিস্থিতিয়ে দুখন দেশৰ মাজত বাণিজ্যৰ গাঁথনি দেশ দুখনৰ উৎপাদনৰ উৎপাদকৰ প্ৰাচুৰ্যতাৰ পাৰ্থক্যৰ ভিত্তিত হয় বুলি হেক্সাৰ-অ'লিনৰ তত্ত্বই আগবঢ়োৱা ব্যাখ্যা অকামিলা কৰি তুলিছে। কাৰণ, যেতিয়া দুখন দেশে একেটা দ্ৰব্য ৰপ্তানি আৰু একেটা দ্ৰব্য আমদানি কৰে তেতিয়া উক্ত দ্ৰব্য দুটাক কেন্দ্ৰ কৰি দেশ দুখনৰ মাজত বাণিজ্য হ'ব নোৱাৰে।

### চাহিদাৰ বিপৰীতমুখী প্ৰভাৱ (Demand Reversal)

হেক্সাৰ-অ'লিন তত্ত্বই আগবঢ়োৱা ব্যাখ্যা অনুসৰি উৎপাদনৰ উৎপাদকৰ যোগানৰ পাৰ্থক্যৰ কাৰণে দুখন দেশৰ মাজত দ্ৰব্য দুটাৰ দৰৰ যি পাৰ্থক্য ঘটে তাৰ কাৰণে দেশ দুখনৰ মাজত দ্ৰব্য দুটাৰ বাণিজ্য হয়। অৰ্থাৎ উক্ত তত্ত্ব অনুসৰি দেশ দুখনৰ মাজত উক্ত দ্ৰব্য দুটাৰ দৰৰ পাৰ্থক্য ঘটাৰ প্ৰধান কাৰণ হৈছে সিহঁতৰ উৎপাদনৰ উৎপাদকৰ (শ্ৰম আৰু মূলধন) যোগানৰ পাৰ্থক্য, অৰ্থাৎ হেক্সাৰ-অ'লিন তত্ত্ব অনুসৰি উৎপাদনৰ উৎপাদকৰ যোগানৰ পাৰ্থক্যই দেশ দুখনৰ উৎপাদিত দ্ৰব্য দুটাৰ উৎপাদনী ব্যয়ৰ পাৰ্থক্য ঘটায় আৰু ইয়াৰ ফলত সিহঁতৰ দৰৰ পাৰ্থক্য ঘটে আৰু বাণিজ্য সম্পাদন হয়। দ্ৰব্যৰ দৰৰ ওপৰত কেৱল উৎপাদনী ব্যয়ৰ প্ৰভাৱৰ বিষয়টোৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ কাৰণে হেক্সাৰ-অ'লিন তত্ত্বটো সমালোচনা কৰা হয়। কাৰণ, দ্ৰব্যৰ দৰ নিৰ্ণয়ৰ ক্ষেত্ৰত ইয়াৰ উৎপাদনী ব্যয়ৰ লগতে চাহিদাৰ প্ৰভাৱৰ বিষয়টো অস্বীকাৰ কৰিব পৰা নেযায়। যি দুটা দ্ৰব্যৰ মাজত দুখন দেশৰ মাজত সিহঁতৰ উৎপাদনী ব্যয় পাৰ্থক্যৰ কাৰণে ঘটা দৰৰ পাৰ্থক্য কাৰণে বাণিজ্য হয়, উক্ত বাণিজ্য যে দ্ৰব্য দুটাৰ বজাৰ চাহিদাৰ